بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ১৪ ডিচেম্বৰত মছজিদ বায়তুল ফতুহ মৌৰডনৰ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৰাৰ (আইঃ)কয় যে -চাহাবা সকলৰ বিষয়ে কৰা বৰ্ণনাত আজি প্ৰথমে হজৰত মুছতাহ বিন আছাছা (ৰাঃ) ৰ বিষয়ে উল্লেখ কৰিম। তেখেতৰ নাম অউফ আৰু উপাধি আছিল মুছতাহা। তেখেতৰ মাকৰ নাম আছিল হজৰত উম্মে মুছতাহা ছালমা বিন চাখাৰ । যিজনী হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ মাহী ৰিয়েতা বিনতে চাখাৰৰ জীয়েক আছিল। হজৰত মুছতাহা বদৰৰ যুদ্ধৰ পৰা আৰম্ভ কৰি সকলো যুদ্ধতেই ৰছুলে কৰিম (ছাঃ) ৰ লগত সহযোগ কৰিছিল। হিজৰত কৰি যোৱাৰ আঠ মাহ পিছত ৰছুলুল্লাহ (ছাঃ) যে হজৰত উবেদা বিন হাৰিছৰ নেতৃত্বত যাটি নাইবা আশী আৰোহীৰ এটা দল পঠাই দিছিল। ৰছুলে কৰিম (ছাঃ) য়ে হজৰত উবেদা বিন হাৰিছৰ নিমিত্তে এটা বগা ৰঙৰ পতাকা বান্ধি দিছিল। সেয়া মুছতাহা বিন আছাছা (ৰাঃ) য়ে উঠাই ৰাখিছিল। এই যাত্ৰাৰ উদ্দেশ্য আছিল যে কুৰাইছ সকলৰ এটা ব্যৱসায়ীৰ দলক বাটত বাধা দিয়া হয় যেন। কুৰাইছৰ সেই দলটোৰ আমিৰ আছিল আবু ছুফিয়ান আৰু সেই দলটোৰ সংখ্যা আছিল ২০০ জন লোক। চাহাবা সকলৰ জমাতে গৈ ৰাবিক নামৰ ঠাইত গৈ দলটোক বাট আগচি ধৰে। এই দলটো কেৱল ব্যৱসায়ীয়ে নাছিল বৰং যুদ্ধ সৰঞ্জামৰ সৈতে সজ্জিত আছিল। আনহাতে উক্ত দলটোয়ে কৰা লাভাংশ মুছলমান সকলৰ বিৰুদ্ধে কৰাৰ কথা আছিল, কাৰণ ঘটনাৰ পৰা জানিব পৰা যায় যে তেওঁলোকে পূৰ্ণ সাজু হৈ আহিছিল। যিয়েই নহওঁক এওঁলোকে যেতিয়া গৈ পাইছিল তেতিয়া দুয়োপক্ষৰ মাজত তীৰ আন্দাজীৰ বাহিৰে বেলেগ ৰণ হোৱা নাছিল আৰু যুদ্ধৰ বাবে শাৰীও পতা হোৱা নাছিল। উক্ত ঘটনাৰ মাজতেই হজৰত মুকদাদ বিন আছুদ আৰু হজৰত আয়নিয়া বিন গাজওয়ান ছেগ বুজি মুশৰিক সকলৰ জমাতৰ পৰা ওলাই আহি মুছলমান সকলৰ লগত মিলি যায় কাৰণ তেওঁলোক দুজনে আগতেই ইছলাম গ্ৰহন কৰিছিল। মুশৰিক সকলৰ মাজত মুছলমান সকলৰ ভয় এনেদৰে সঞ্চাৰিত হৈছিল যে তেওঁলোকে ভয় খাই ঘুৰি গৈছিল আৰু মুছলমান সকলে তেওঁলোকক খেদি যোৱা নাছিল কাৰণ তেওঁলোকৰ যুদ্ধ কৰাটো উদ্দেশ্য নাছিল। আঁহজৰত (ছাঃ) য়ে খয়বৰৰ সময়ত হজৰত মুছতাহা আৰু ইবনে ইলিয়াছক ৫০ পাৰছেন শস্য দান কৰিছিল। হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত ৩৪ হিজৰীত ৫৬ বছৰ বয়সত এখেত (ৰাঃ) ৰ মৃত্যু হৈছিল। আনহাতে এয়াও উল্লেখ আছে যে মুছতাহা (ৰাঃ) হজৰত আলি (ৰাঃ) ৰ খিলাফত কাললৈ জীয়াই আছিল আৰু হজৰত আলি (ৰাঃ) ৰ সৈতে চফিনৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল আৰু সেই বছৰতেই ৩৭ হিজৰি চনত মৃত্যু বৰণ কৰিছিল।

হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে হজৰত মুছতাহা (ৰাঃ) ৰ ভৰণ পোষণৰ দায়িত্ব লৈছিল। কিন্তু যেতিয়া হজৰত আয়শা (ৰাঃ) ৰ ওপৰত মিছা দোষ আৰোপ কৰা হৈছিল তেতিয়া মুছতাহা (ৰাঃ) সেই দোষাৰোপ কাৰী সকলৰ লগত যোগ দিছিল। সেই কাৰণে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে শপত খাইছিল যে ভৱিষ্যতলৈ মুছতাহাক সহায় কৰা নহব। যাৰ সম্পৰ্কে এই আয়াত নাযিল হৈছিল "ওয়ালা ইয়াতালি উলুল ফাজলি মিনকুম ওয়াচ্ছাআতি আইয়ুতু উলিল কুৰবা ওয়াল মাছাকিনা ওয়াল মুহাজিৰিনা ফি ছাবিলিল্লাহি ওয়াল ইয়াফু ওয়াল ইয়াচফাহু, আলা তুহিববুনা আই ইয়াগফিৰাল্লাহু লাকুম, ওয়াল্লাহু গাফুৰুৰ ৰাহিম" অৰ্থাৎ তোমালোকৰ মাজত থকা অৰ্থ সমৃদ্ধ আৰু ফজিলত অধিকাৰী সকলে নিজৰ আত্মীয় আৰু দৰিদ্ৰ আৰু আল্লাহৰ বাটত হিজৰত কৰোঁতা সকলক কিবা বস্তু নিদিয়াৰ শপত নলবা। উচিত যে মাৰ্জনা কৰি দিয়া আৰু দয়া কৰা। তোমালোকে পছন্দ নকৰা নে যে আল্লাহ তোমালোকক ক্ষমা কৰি দিয়ে আৰু আল্লাহ বহুত মাৰ্জনাকাৰী আৰু বাৰে বাৰে কৃপা কৰোঁতা।

সেয়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে আকৌ মুছতাহাৰ ভৰণ পোষণৰ ব্যৱস্থা কৰি দিছিল। যেতিয়া আল্লাহ তায়লা হজৰত আয়শা (ৰাঃ) ৰ প্ৰমাণ শুদ্ধতা নাযিল কৰি দিছিল তেতিয়া মিছাকৈ দোষাৰোপ কৰোঁতা সকলক শাস্তি

বিহা হৈছিল। কিছুমান ৰোৱায়েত অনুযায়ী আঁহজৰত (ছাঃ) য়ে হজৰত আয়শা (ৰাঃ) ৰ ওপৰত দোষ জাপি দিয়া চাহাবা সকলক চাবোকৰ কোৰ দিছিল, সেই সকলৰ মাজত মুছতাহাও চামিল আছিল। বুখাৰীৰ ৰোৱায়েত অনুসৰি হজৰত আয়শা (ৰাঃ) ৰ সমস্যা পূৰ্ণ ঘটনা বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ) য়ে এটা আক্ৰমনৰ সময়ত, তেখেত (ছাঃ) ৰ লগত কোনে যাব এই সম্পৰ্কে পত্নী সকলৰ মাজত টচ-আপ কৰিছিল আৰু তাত আয়শা (ৰাঃ) ৰ নাম আহিছিল। আয়শা (ৰাঃ) য়ে কৈছে যে সেয়ে মই তেখেত (ছাঃ) ৰ লগত গৈছিলো। তেতিয়া হিযাব (উৰুণী) সম্পৰ্কে আদেশ অৱতীৰ্ণ হৈছিল। মোক হুদছ (মহিলাক বহুৱাবলৈ বনোৱা এটা পাল্কীৰ দৰে বস্তুত ) বহুৱা হৈছিল। সেই হুদছৰ মাজতেই মোক উটৰ পিঠিৰ পৰা নমাই অনা হৈছিল। মই এনেদৰে ভ্ৰমন  কৰিছিলো। যেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে সেই আক্ৰমনৰ অন্তত ঘুৰি যাত্ৰা কৰিছিল, আৰু আমি আহি প্ৰায় মদিনাৰ ওচৰ পাইছিলো এনেতে হঠাৎ এদিন ৰাতি আঁহজৰত (ছাঃ) য়ে যাত্ৰা আৰম্ভ কৰিবলৈ আদেশ দিছিল। যেতিয়া লোক সকলে সেই ঠাইৰ পৰা গুচি অহাৰ বাবে ঘোষণা কৰিছিল মই এফালে পায়খানা কৰিবলৈ গৈছিলো। তাৰ পৰা যেতিয়া মই হুদছৰ ফালে আহিছিলো, দেখিছিলো যে মোৰ জফাৰৰ ক'লা দানাৰ হাৰডাল কৰবাত পৰি গৈছে। মই সেই হাৰডাল বিচাৰি ওভতি গৈছিলো আৰু বিচাৰোতে ভালেখিনি সময় লাগিছিল। ইফালে মোৰ উট সাজু কৰি দিওঁতা সকলে আহি মোৰ থকা হুদছটো উঠাই লৈ গৈ উটৰ পিঠিত ৰাখিছিল। দৰাচলতে তেতিয়া সেই হুদছখন খালি আছিল। তেওঁলোকে ভাৰিছিল মই হুদছৰ ভিতৰত আছো কাৰণ মই বৰ ক্ষীণকায় আছিলো, সেয়ে তেওঁলোকে অনুমান কৰিব পৰা নাছিল যে মই হুদছৰ ভিতৰত আছো নে নাই। হুদছটো মই আৰোহণ কৰা উটৰ পিঠিত উঠাই তেওঁলোকে উট চলাই দিছিল। তেওঁলোকেও উটৰ লগত গুচি গৈছিল। যেতিয়া সকলো সৈন্য সামন্ত তাৰ পৰা গুচি আহিছিল তাৰ পিছত মই মোৰ হাৰডাল বিচাৰিলৈ ছাউনীৰ ফালে ওভতিছিলো। ছাউনীলৈ আহি দেখিবলৈ পাইছিলো যে তাত কোনেও নাই। আকৌ মই মোৰ থকা তম্বুৰ ফালে আহিছিলো। মই ভাৰিছিলো যে তেওঁলোকে মোক দেখা নাপালে নিশ্চয় ইয়ালৈ ঘুৰি আহিব। মই তাত সিহঁতৰ অপেক্ষাত বহিছিলো এনেতে টোপনিত মোৰ চকু মুদখাই গৈছিল আৰু শুই পৰিছিলো। চফোৱান বিন মুৱাত্তাল ছালমি জাকুৱানি সৈন্য দলৰ পিছত থাকিছিল আৰু দেখিছিল যে কোনোবাই কোনো বস্তু এৰি থৈ গৈছে নেকি। তেওঁ ৰাতিপুৱা মোৰ ছাউনীৰ ওচৰলৈ আহিছিল আৰু দেখিছিল এজন মানুহ শুই আছে। তাকে দেখি তেওঁ ইন্না লিল্লাহ পাঠ কৰিছিল। তেওঁৰ সেই ইন্না লিল্লাহ পঢ়া শুনি মই সাৰ পাইছিলো। তেওঁ তাৰ উটনী মোৰ ওচৰলৈ লৈ আনি বহাই দিছিল আৰু মই তাইৰ পিঠিত আৰোহণ কৰিছিলো আৰু তেওঁ সেই উটনীৰ লেকাম ধৰি যাত্ৰা আৰম্ভ কৰিছিল। আমি দুপৰীয়া আহি সৈন্য দলৰ লগ পাইছিলো তেতিয়া সকলোৱে নিজৰ তম্বুত আৰাম কৰিবলৈ লৈছিল। ইখিনিতে যি সকলে ভ্ৰষ্ট হ'বলৈ আহিছিল ভ্ৰষ্ট হৈ গৈছিল। অৰ্থাৎ উক্ত ঘটনাৰ পৰিপ্ৰেক্ষিতে কিছুমান লোকে মোক দোষাৰোপ কৰিবলৈ আৰম্ভ কৰিছিল। এই কলঙ্ক ৰচোঁতা লোকজন আছিল আব্দুল্লাহ বিন আবি বিন ছলোল। মই মদিনালৈ অহাৰ পিছত এমাহ কাল বেমাৰ আছিলো। কলঙ্ক ৰচা কথাবোৰ লোকে চৰ্চা কৰিবলৈ লৈছিল। মই বেমাৰ থকা অৱস্থাত মোৰ মনত এটা সন্দহ উপজিছিল এই বিষয়ে যে মই নবী (ছাঃ) ৰ মনত সেই কৃপা আৰু চেনেহ দেখা পোৱা নাছিলো যেনেকৈ আগতে মোৰ বেমাৰ হলে দেখিছিলো। তেখেত (ছাঃ) য়ে কেৱল ভিতৰলৈ আহিছিল আৰু আচ্ছালামু আলায়কুম কৈছিল আৰু বেলেগক সুধিছিল যে তাই এতয়িা কেনেকুৱা আছে। মই সেই ৰটনা সম্পৰ্কে একো গম পোৱা নাছিলো। এদিন ৰাতি উম্মে মুছতাহা বিনতে আবি ৰহম আৰু মই গৈ আছিলো এনেতে তাই নিজৰ উৰুণীত নিজে মেৰ খাই কৰবাত খুন্দা খাইছিল। তেতিয়া কৈছিল যে মুছতাহা বৰ দুৰ্ভগীয়া হয়। মই তেতিয়া তাইক কৈছিলো যে কেনে যে বেয়া কথা তুমি কৈছা। তুমি দেখোন এনেকুৱা ব্যক্তিক বেয়া বুলি কৈ আছা যিয়ে বদৰৰ যুদ্ধত উপস্থিত আছিল। তেতিয়া তাই কৈছিল, এৰা সহজ  সৰল ছোৱালী তুমি শুনা নাইনে যিবোৰ মানুহে মিছা চৰ্চা কৰি আছে। তেতিয়া তাই মোক দোষাৰোপকাৰী সকলৰ কথাবোৰ শুনাইছিল যে এনে এনে দোষবোৰ তোমাৰ ওপৰত জাপি দিয়া হৈছে। বেমাৰৰ পৰা অলপতে মই সকাহ পাইছিলো দুৰ্বলতা ৰৈয়ে আছিল এনেতে চৰ্চিত কথাবোৰ শুনি মোৰ বেমাৰ বাঢ়ি গৈছিল। যেতিয়া মই ঘৰলৈ ঘুৰি আহিছিলো তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে মোৰ ওচৰলৈ আহিছিল আৰু ছালাম দিছিল। তেখেত (ছাঃ) য়ে মোক সুধিছিল যে এতিয়া তুমি কেনে আছা ? মই কৈছিলো মোক মোৰ মাক দেউতাকৰ ওচৰলৈ যোৱাৰ অনুমতি দিয়ক । তেখেত (ছাঃ) য়ে মোক যাবলৈ অনুমতি দিছিল। মই মোৰ মা-দেউতাৰ ওচৰত গৈ মাকক সুধিছিলো যে মানুহে কিনো

চৰ্চা কৰি আছে ? মোৰ মাকে কৈছিল যে মাই ! এই কথাবোৰলৈ নিজৰ প্ৰাণ আহুকালত নেপেলাবা। আল্লাহৰ শপত ! এনেকুৱা খুব কমেই হয় যে কাৰোবাৰ এজনী সুন্দৰী পত্নী থাকে, যাক তেওঁ বৰ ভাল পায়, আৰু তেওঁলোকৰ বৰ শান্তি হয় আৰু তেওঁলোকৰ বিৰুদ্ধে লোকে কোনো কথা নকয়। হজৰত আয়শা (ৰাঃ) কৈছে যে মই সেই ৰাতিটো এনেদৰে পাৰ কৰিছিলো যে পূৰালৈকে মোৰ চকুলো বন্ধ হোৱা নাছিল। গোটেই ৰাতি মোৰ টোপনি অহা নাছিল আৰু মই কান্দি আছিলো। ৰাতিপূৱা যেতিয়া উঠিছিলো তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে হজৰত আলি বিন আবি তালিব আৰু অছামা বিন জায়েদক মাতি পঠিয়াইছিল যাতে তেওঁলোক দুজনৰ সৈতে নিজৰ পত্নী সম্পৰ্কে আলোচনা কৰিব পাৰে। অছামা (ৰাঃ) য়ে কৈছিল যে ইয়া ৰছুলুল্লাহ আয়শা আপোনাৰ পত্নী,আল্লাহৰ কছম ! মই তাইৰ মাজত পবিত্ৰতাৰ বাহিৰে আন একো নাজানো, মই কোনো ধৰণৰ বেয়া তাইৰ মাজত দেখা নাই। কিন্তু হজৰত আলি বিন আবি তালিব কৈছিল যে ইয়া ৰছুলুল্লাহ ! আল্লাহ তায়লা আপোনাৰ কোনো অভাৱ ৰখা নাই। তাইৰ বাহিৰে নবী আৰু বহুত আছে। আকৌ হজৰত আলি (ৰাঃ) এয়াও কৈছিল যে আয়শাৰ সেৱিকা সকলক সুধি চাওঁক তাই কেনেকুৱা। তাৰ পিছত ৰছুলুল্লাহ (ছাঃ) য়ে বৰিৰাহ (ৰাঃ) ক মাতি পঠিয়াইছিল। তেখেত (ছাঃ) য়ে বৰিৰাক সুধিছিল যে তুমি হজৰত আয়শাৰ চৰিত্ৰত এনেকুৱা কিবা দেখিছানে যে যিয়ে তোমাক সন্দেহত পেলায় ? বৰিৰাহ উত্তৰ দিছিল যে কেতিয়াও নহয়। সেই সত্তাৰ শপত, যিয়ে আপোনাক সত্যৰ সৈতে প্ৰেৰণ কৰিছে, মই হজৰত আয়শাৰ মাজত কোনো ধৰণৰ বেয়া দেখা নাই।

এয়া শুনি ৰছুলুল্লাহ (ছাঃ) য়ে চাহাবা সকলক উদ্দেশ্য কৰি কৈছিল যে এনেকুৱা লোকক কোনে চম্ভালিব, যি সকলে মোৰ পত্নী সম্পৰ্কে মোক দুঃখ দিয়ে। মই খোদা তায়লাৰ শপত লৈ কওঁ যে মোৰ পত্নীৰ চৰিত্ৰত সজ ব্যাতিৰেকে বেলেগ কোনো কথা মই নাজানো। এয়া শুনি হজৰত ছাআদ বিন মুৱাজ থিয় হৈ কৈছিল মইও ৰছুলুল্লাহ ! আল্লাহৰ কছম ! আপোনাৰ ফালৰ পৰা মই তাৰ প্ৰতিশোধ লম, যিয়ে এই দোষ জাপি দিছে। যদিও সি আউচ গোত্ৰৰ লোক হয়, মই তাৰ ডিঙি কাটিম নাইবা সি যদি আমাৰ ভাই খজৰজ গোত্ৰৰ হয় তথাপি আপোনাৰ আদেশ মতেই আজ্ঞা পালন কৰিম। উক্ত কথাত খজৰজ কবিলাৰ ছাআদ বিন আবাদা থিয় হৈ কৈছিল যে তুমি ভুল কৈছা, আল্লাহৰ কছম ! তুমি তাক মাৰিব নোৱাৰা আৰু তুমি এনেকুৱা কৰিব নোৱাৰা। উক্ত বিষয়লৈ দুয়োটা কবিলাই ৰাগান্বিত হৈ উঠে আৰু পৰস্পৰে কাজিয়া আৰম্ভ কৰি দিয়ে। ৰছুলুল্লাহ (ছাঃ) য়ে তেওঁলোকক শান্ত কৰিছিল আৰু দুয়ো গোত্ৰই নীৰৱ হৈ গৈছিল। হজৰত আয়শা (ৰাঃ) য়ে কৈছে যে মই গোটেই দিনটো কান্দিছিলো, নে মোৰ চকুলো বন্ধ হৈছিল নে মোৰ টোপনি ধৰিছিল। মোৰ মাক দেউতা মোৰ কাষলৈ আহিছিল। মই এনেকুৱা অৱস্থাত আছিলো যে ৰছুললুল্লাহ (ছাঃ) য়ে ভিতৰলৈ আহি বহিছিল। যিদিনাৰ পৰা মোৰ ওপৰত কলঙ্কৰ বোজা জাপি দিয়া হৈছিল, তেখেত (ছাঃ) য়ে মোৰ ওচৰত আহি বহা নাছিল। এমাহ কাল অপেক্ষা কৰিছিলো কিন্তু মোৰ সম্পৰ্কে কোনো অহি হোৱা নাছিল। হজৰত আয়শা (ৰাঃ) য়ে কৈছে যে তেখেত (ছাঃ) য়ে তাছাহুদ পঢ়ি কৈছিল যে হে আয়শা (ৰাঃ) ! মই তোমাৰ সম্পৰ্কে এইবোৰ কথা শুনিছো। গতিকে তুমি যদি ভাল, তেন্তে নিশ্চয় আল্লাহ তায়লা তোমাক ভাল কৰিব আৰু যদি তোমাৰ দ্ধাৰা কোনো ভুল সংগঠিত হৈছে তেন্তে আল্লাহৰ ওচৰত ক্ষমা ভিক্ষা কৰা আৰু তাৰ ওচৰত তওবা কৰা। কাৰণ বান্দাই যেতিয়া নিজৰ গোনাহ স্বীকাৰ কৰি লয় আৰু তওবা কৰে তেতিয়া আল্লাহ তায়লাও তাৰ ওপৰত দয়া কৰে। যেতিয়া ৰছুলুল্লাহ (ছাঃ) ৰ কথা শেষ হৈছিল তেতিয়া মই মোৰ দেউতাকক কৈছিলো যে ৰছুলুল্লাহ (ছাঃ) ক মোৰ ফালৰ উত্তৰ দিয়ক। তেতিয়া আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে কৈছিল খোদাৰ শপত ! মই নাজানো, যে মই ৰছুলুল্লাহ (ছাঃ) ক কি কথা কম। আকৌ মই মোৰ মাকক কৈছিলো । মাকেও একেই উত্তৰ দিছিল। মই আঁহজৰত (ছাঃ) ক কৈছিলো যে যদি মই আপোনাক কওঁ যে মই পবিত্ৰ আৰু আল্লাহ তায়লাও জানে যে মই আপোনাৰ ওচৰত কোনো কথা স্বীকাৰ কৰো যিহেতু আল্লাহ তায়লা জানে যে মই শুচি হওঁ তেন্তে সেই স্বীকাৰুক্তি আপুনি সত্য বুলি মানি লবনে ? আল্লাহৰ কছম ! মই নিজৰ আৰু তেখেত (ছাঃ) ৰ উদাহৰণ ইউছুফৰ বাহিৰে আন কাকো বিচাৰি নাপাওঁ। তেখেত (ছাঃ) য়ে কৈছিল যে ধৈৰ্য্য ধৰাই উত্তম আৰু আল্লাহত সহায় ভিক্ষা কৰা উচিত। তাৰ পিছত মই একাষৰীয়া হৈ নিজৰ বিচনালৈ আহিছিলো আৰু মই আশা কৰিছিলো যে আল্লাহ তায়লা মোক নিৰ্দোষ প্ৰমাণিত কৰিব। হজৰত আয়শা (ৰাঃ) য়ে কৈছে যে আল্লাহৰ কছম ! তেখেত (ছাঃ) য়ে নিজে বহা ঠাইখনৰ পৰা উঠা

নাছিল তেতিয়াই অহি নাযিল হৈছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ) ৰ পৰা অহিৰ অৱস্থা গুচি যাবলৈ লৈছিল, তেখেত (ছাঃ) য়ে মিচিকিয়াই হাঁহিছিল আৰু প্ৰথম কথা যি তেখেত (ছাঃ) য়ে কৈছিল, সেয়া হ'ল হে আয়শা আল্লাহৰ শলাগ লোৱা কাৰণ আল্লাহ তায়লা তোমাক নির্দোষ প্ৰমাণ কৰি দিছে। তাই কৈছে যে, তেতিয়া মোৰ মাকে মোক কৈছিল, উঠা ৰছুলে কৰিম (ছাঃ) ৰ ওচৰত যোৱা। মই কৈছিলো আল্লাহৰ কছম ! কেতিয়াও নহয়, মই উঠি তেখেতৰ কাষলৈ নাযাওঁ আৰু আল্লাহৰ বাহিৰে বেলেগৰ শলাগ নলওঁ। আল্লাহ তায়লা এই অহি কৰিছে যে যি সকল লোকে মিছা দোষাৰোপ কৰিছে, তেওঁলোক তোমাৰেই জমাতৰ লোক।

হজৰত মির্জা বশ্বিৰ আহমদ চাহাবে জীৱনী খাতামান্নাবীঈনত উক্ত ঘটনা বর্ণনা কৰিছে তাত ইখিনি কথা বেছি লিখিছে যে বুখাৰীত এয়া আছে যে হজৰত আয়শা (ৰাঃ) কৈছে যে হাতত ভৰি ৰাখি উটৰ পিঠিত আৰোহন কৰিছিলো। ইয়াত ঘটনা হ'ল তাই উটৰ আগ ঠেংৰ আঠুত ভৰি দি ৰাখিছিল যাতে উটনী জনী হঠাতে উঠিব নোৱাৰে আৰু হজৰত আয়শা (ৰাঃ) উটৰ পিঠিত আৰোহন কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে উক্ত ঘটনা বর্ণাবলৈ গৈ অলপ বঢ়াই-ছৰাই বর্ণনা কৰিছে। সেয়া হ'ল এয়া যে তেখেত লিখিছে যে হজৰত আয়শাৰ বিৰুদ্ধে এয়া ৰটনা হৈছিল যে কিছুমান চাহাবাও নির্বোধৰ দৰে তাইৰ লগত মিলিছিল। যি সকলৰ মাজত এজন আছিল হাচান বিন ছাবিত আন এজন আছিল মুছতাহা বিন আছাছা এনেদৰে এজনী চাহাবীয়াও আছিল যাৰ নাম আছিল হামনা বিনতে হুজশ, এওঁ ৰছুলে কৰিম (ছাঃ) ৰ খুলশালী আছিল। হজৰত আয়শা (ৰাঃ) এই দুর্ঘটনাৰ শোকতে তাই বেমাৰ পৰিছিল। যেতিয়া তাই এই সকল মুনাফিকৰ কথাবোৰ জানিব পাৰিছিল তেতিয়া তাইৰ অসুখ আৰু বাঢ়ি গৈছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ) য়ে এখন খোতবা জুমাত বর্ণনা কৰিছে যে হজৰত আয়শা (ৰাঃ) ৰ ওপৰত অপৰাধ জাপি দিয়াৰ কাৰণে তিনি জন চাহাবাক চাবুকৰ কোৰ দিছিল। যি সকলৰ মাজত এজন আছিল হাছান বিন ছাবিত ,আন এজন আছিল মুছতাহা, যিজন হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ মাহীৰ লৰা আছিল। আন এজনী আছিল মহিলা, এই তিনিও জনক শাস্তি দিয়া হৈছিল। ছুনানে আবু দাউদত এই শাস্তিৰ বিষয়ে উল্লেখ আছে। মুঠতে কিছুমানৰ মতে এই শাস্তি হৈছিল, আন কিছুমানৰ মতে হোৱা নাছিল। কিন্তু সেই চাহাবা সকলক আল্লাহ তায়লা ক্ষমা কৰি দিছে। এওঁলোক বদৰি চাহাবা আছিল। তেওঁলোকৰ উচ্চ মর্যদা আছিল। আল্লাহ তায়লা তেওঁলোকক উত্তম ফল দান কৰিছে আৰু সেই মর্যদা প্ৰতিষ্ঠিত ৰাখিছে। আল্লাহ তায়লা তেখেত সকলৰ মর্যদা উন্নীত কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwa 14 Dec 2018**

**(BOOK POST PRINTED MATTER)**

**To**

----------------------------------------------------------------------

----------------------------------------------------------------------

----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**